**অসম বিধানসভা**
**তৰাবিহীন প্ৰশ্ন নং :-৪৭৭**
**উত্তৰ দিয়াৰ তাৰিখ :-২৩-০৭-২০২৬**

বিষয় : চাহজনগোষ্ঠী আৰু আদিবাসীসকলৰ নৃত্য, গীত-মাত সন্দৰ্ভত।

বিধায়ক : শ্ৰীচক্ৰধৰ গগৈ।

মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমৰ চাহ জনগোষ্ঠী বা আদিবাসী সকলৰ আন্ত :গাঁথনি উন্নয়নৰ হকে অসম চৰকাৰ খনে বহু খিনি কাম কৰিছে। এই লোক সকলৰ সাংস্কৃতিক পৰম্পৰা, লোক নৃত্য, গীত-মাত আৰু বাদ্যযন্ত্ৰসমূহ সংৰক্ষণ, প্ৰশিক্ষণ বৰ্তাই ৰাখিবলৈ অসম চৰকাৰৰ সাংস্কৃতিক বিভাগে কিবা পদক্ষেপ গ্ৰহণ কৰিছে নেকি ? যদি কৰিছে, কেনে ধৰণৰ ? জনাব।

(খ) চাহ জনগোষ্ঠী বা আদিবাসী লোকসকলে ব্যৱহাৰ কৰা সাংস্কৃতিক বাদ্যযন্ত্ৰ সমূহৰ (জাতি অনুসৰি) নাম তালিকা প্ৰদান কৰিব।

(গ) ঝুমুৰৰ লগতে তেখেতে সকলৰ অন্যতম এটা প্ৰিয় নৃত্য হ'ল উড়িয়া নৃত্য। ঝুমুৰ বিনন্দীনিৰ সময়ত কিছু ঝুমুৰৰ প্ৰশিক্ষণ চৰকাৰীভাৱে কৰা হৈছিল যদিও সেয়া সীমিত হৈ থাকিল। অনাগত দিনত চাহ জনগোষ্ঠী আৰু আদিবাসী যুৱক-যুৱতী সকলৰ মাজত ভৱিষ্যতে চৰকাৰী ভাৱে ঝুমুৰ আৰু উড়িয়া নৃত্যৰ লগতে হেৰাই যাব ধৰা এই নৃত্যসমূহৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব নেকি? জনাব।

**-উত্তৰ-**

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ পৰা মাননীয় মন্ত্ৰী মহোদয় শ্ৰী যুত বিমল বড়াদেৱৰ হৈ মাননীয় মন্ত্ৰী মহোদয় শ্ৰী যুত পীযুষ হাজৰীকাদেৱে উত্তৰ দিব-

(ক) অসমৰ চাহ জনগোষ্ঠী (আদিবাসী) সকলৰ সামগ্ৰিক উন্নয়নৰ লগতে তেওঁলোকৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ , সংবৰ্ধন আৰু প্ৰচাৰৰ লক্ষ্যৰে অসম চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে।
বিশেষকৈ চাহ জনগোষ্ঠীৰ লোকনৃত্য , লোকগীত, পৰম্পৰাগত বাদ্যযন্ত্ৰ আৰু সাংস্কৃতিক পৰম্পৰাক সংৰক্ষণ, প্ৰশিক্ষণ আৰু নতুন প্ৰজন্মৰ মাজত প্ৰসাৰিত কৰাৰ উদ্দেশ্যে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে ২০২৫ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে বৃহৎ পৰিসৰত 'ঝুমইৰ বিনন্দিনী' অনুষ্ঠানৰ আয়োজন কৰে। এই ঐতিহাসিক অনুষ্ঠানত অসমৰ চাহ জনগোষ্ঠীৰ ৮ সহস্ৰাধিক নৃত্যশিল্পী (পুৰষ আৰু মহিলা উভয়) আৰু

বাদ্যযন্ত্ৰকাৰী শিল্পীয়ে অংশগ্ৰহণ কৰি তেওঁলোকৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্য বিশ্বৰ আগত উজলাই তোলে। এই অনুষ্ঠানৰ জৰিয়তে চাহ জনগোষ্ঠী আৰু আদিবাসীসকলৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰাগত বাদ্যযন্ত্ৰসমূহে জাতীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অধিক পৰিচিতি লাভ কৰিবলৈ সক্ষম হয়।

ইয়াৰোপৰি, চাহজনগোষ্ঠী আৰু আদিবাসী বিভাগৰ পৰা পোৱা তথ্যমতে, অসমৰ চাহ জনগোষ্ঠী বা আদিবাসী লোকসকলৰ সাংস্কৃতিক পৰম্পৰা, কলা আৰু ঐতিহ্য সংৰক্ষণ তথা প্ৰসাৰৰ বাবে কাজিৰঙাত অসম চাহ জনগোষ্ঠীয় সমন্বয় কলাক্ষেত্ৰ নিৰ্মাণৰ প্ৰস্তাব লোৱা হৈছে। এই কেন্দ্ৰটোত সংগ্ৰহালয়, সাংস্কৃতিক কেন্দ্ৰ, গৱেষণা আৰু উন্নয়ন কেন্দ্ৰ, প্ৰেক্ষাগৃহ, সংগীত ষ্টুডিঅ আৰু পুথিভঁৰাল আদিৰ ব্যৱস্থা কৰাৰ বাবে বিবেচনাধীন হৈ আছে। বৰ্তমান ইয়াৰ সীমাৰ দেৱাল নিৰ্মাণৰ কাম চলি আছে।

(খ) বিভাগীয় তথ্য অনুসৰি চাহ জনজাতি আৰু আদিবাসী সমাজত প্ৰচলিত কিছুমান উল্লেখযোগ্য সাংস্কৃতিক বাদ্যযন্ত্ৰ হ 'ল— ঢোল, মাদল, বাঁহী, তাল, কৰতাল, নাগাৰা, আদি।
অন্যান্য কিছু চাহ জনগোষ্ঠী আৰু আদিবাসী সম্প্ৰদায়ৰ বাদ্যযন্ত্ৰসমূহ-
১) উড়িয়া সম্প্ৰদায়- ঢাক, ঢোল, নিছান, তাছা, চহনাই, মহৰী, টামাখুল, শংখ, বেহলা, চাৰেঙ্গী।
২) চাঁওতাল সম্প্ৰদায়- মাদল, নাগড়া, তাল, বাঁহী, চাকড়ে।
৩) মুণ্ডা সম্প্ৰদায়- নাগড়া, ঢামছা, ৰাপকা।
৪) উৰাং সম্প্ৰদায়- মাদল, ঢোল।
৫) চাওঁৰা সম্প্ৰদায়-ৰাগইদাং, নেংনেং, কাড়িং, মাণ্ডী, টুডুম।

ইয়াৰ উপৰিও , সংশ্লিষ্ট সম্প্ৰদায়সমূহৰ মাজত প্ৰচলিত সাংস্কৃতিক বাদ্যযন্ত্ৰসমূহৰ সম্প্ৰদায়ভিত্তিক প্ৰামাণিক তথ্য সংগ্ৰহৰ প্ৰক্ৰিয়া চলি আছে। তথ্য সংগ্ৰহ সম্পূৰ্ণ হোৱাৰ পিছত সম্প্ৰদায়ভিত্তিক (জাতি অনুসৰি) বাদ্যযন্ত্ৰসমূহৰ বিস্তৃত তালিকা প্ৰস্তুত কৰি যথাসময়ত দাখিল কৰাৰ প্ৰয়াস কৰা হ'ব।

(গ) উল্লেখযোগ্য যে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অধীনত থকা সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত ঝুমুইৰ নৃত্যৰ লগতে উড়িয়া লোক নৃত্যৰ প্ৰদৰ্শন সময়ে সময়ে অসমৰ বিভিন্ন প্ৰান্তত কৰি অহা হৈছে যদিও অনাগত দিনত চাহ জনগোষ্ঠী আৰু আদিবাসী যুৱক-যুৱতী সকলৰ মাজত ভৱিষ্যতে চৰকাৰী ভাৱে ঝুমুৰ আৰু উড়িয়া নৃত্যৰ লগতে হেৰাই যাব ধৰা এই নৃত্য সমূহৰ প্ৰশিক্ষণৰ ব্যৱস্থাৰ বিষয়টো চৰকাৰে অনাগত দিনত বিবেচনা কৰিব।

**উত্তৰ ইতিমধ্যে অনলাইন যোগে প্ৰেৰণ কৰা হৈছে**

XXXXXXOXXXXXX